**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমাৰ আজি অন্ত পৰিছে। চি পি আইয়ে আজি **শিৱসাগৰ** বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়ন প্ৰত্যাহাৰ কৰিছে। সমষ্টিটোৰ বাবে চি পি আইৰ হৈ মদন বৰুৱাই মনোনয়ন দাখিল কৰিছিল। বিয়লি এখন সংবাদমেলযোগে এই কথা প্ৰকাশ কৰি দলটোৱে শিৱসাগৰত বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী অখিল গগৈলৈ সমৰ্থন আগবঢ়াব বুলি স্পষ্ট কৰিছে। **ওদালগুৰি** জিলাৰ চাৰিটা সমষ্টিত মুঠ ২৫জন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। **নলবাৰী** জিলাৰ টিহু বিধানসভা সমষ্টিৰ এজন আৰু নলবাৰী বিধানসভা সমষ্টিৰ এজন প্ৰাৰ্থীয়ে আজি মনোনয়ন প্ৰত্যাহাৰ কৰে। **দৰং** জিলাৰ তিনিটা সমষ্টিত পাঁচগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। **তামুলপুৰ** বিধানসভা সমষ্টিৰ এজন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। **শ্ৰীভূমি** জিলাত আজি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা আঠগৰাকী প্ৰাৰ্থীয়ে নিজৰ মনোনয়ন প্ৰত্যাহাৰ কৰে। **বজালী** জিলাৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিত এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত সমষ্টিটোত এতিয়া মুঠ ৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব। **চিৰাং** জিলাত আজি ৪ জন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। মনোনয়ন প্ৰত্যাহাৰ কৰা আটাইকেইগৰাকী প্ৰাৰ্থী বিজনী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী আছিল বুলি আমাৰ সংবাদদাতাই জনাইছে। সমষ্টিটোত মুঠ ১৭ গৰাকীয়ে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। **নগাঁও** জিলাৰ ৭টা বিধানসভা সমষ্টিৰ ভিতৰত ধিং বিধানসভা সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। কাছাৰ জিলাৰ উধাৰবন্দ সমষ্টিতো এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। ৰাজ্যখনত আজিৰ দিনটোত ৬৭ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন প্ৰত্যাহাৰ কৰে।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ মুঠ ১২৬টা বিধানসভা সমষ্টিত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

ooooo

কামৰূপ মহানগৰ জিলাত পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল আৰু ডিজেল মজুত আছে বুলি জিলা আয়ুক্ত স্বপ্নীল পালে প্ৰকাশ কৰিছে। হেঙেৰাবাৰীৰ জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত এখন জৰুৰী সংবাদমেলত আয়ুক্তগৰাকীয়ে ভৱিষ্যতেও জিলাখনত পেট্ৰ'ল আৰু ডিজেলৰ নাটনি হোৱাৰ সম্ভাৱনা নাই বুলি মন্তব্য কৰিছে। শ্ৰীপালে কয়, যে ইণ্ডিয়ান অইল কৰ্প'ৰেচন লিমিটেডৰ গুৱাহাটীৰ বেতকুছি টাৰ্মিনেলত ৪৫ লাখ লিটাৰ পেট্ৰ'ল আৰু ৬৫ লাখ লিটাৰ ডিজেল মজুত আছে। একেদৰে এইচ পি চি এলৰ টাৰ্মিনেলতো ৪ লাখ লিটাৰ পেট্ৰ'ল আৰু ১৮ লাখ লিটাৰ ডিজেল মজুত আছে বুলি তেওঁ জানিবলৈ দিয়ে। তদুপৰি বি পি চি এলৰ নুমলীগড়ৰৰ

টাৰ্মিনেলত ২৫ লাখ লিটাৰ পেট্ৰ'ল আৰু ডেৰ কোটিৰো অধিক লিটাৰ ডিজেল মজুত আছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই টাৰ্মিনেলসমূহৰ পৰা তেল ডিপ'সমূহলৈ নিয়মীয়াকৈ পেট্ৰ'ল আৰু ডিজেল যোগান ধৰা হৈছে। জিলা আয়ুক্তগৰাকীয়ে জনসাধাৰণক ভীতিগ্ৰস্ত নহ'বলৈ আহ্বান জনায়।

**ৰাইট (স্বপ্নীল পাল)**

ইপিনে ৰাজ্যত পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল আৰু ডিজেল মজুত আছে বুলি ইতিমধ্যে মুখ্য সচিব ড০ ৰবি কোটাই সামাজিক মাধ্যমযোগে সদৰী কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ চাৰিটা শোধনাগাৰ ক্ৰমে- নুমলীগড়, নুনমাটি, ডিগবৈ আৰু বঙাইগাঁৱত স্থানীয় চাহিদাতকৈ যথেষ্ট বেছি ইন্ধন উৎপাদন হয়। শোধনাগাৰসমূহৰ পৰা খুচুৰা বিপণীসমূহলৈ ইন্ধনৰ সৰবৰাহকে ধৰি যোগান শৃংখলাত কোনো ধৰণৰ বাধা সৃষ্টি হোৱা নাই বুলি মুখ্য সচিবগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক ভীতিগ্ৰস্ত হৈ অযথা পেট্ৰ'ল-ডিজেল ক্ৰয় কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। অযথা পেট্ৰ'ল-ডিজেল ক্ৰয় কৰাৰ ফলত স্বাভাৱিকতকৈ চাহিদা বৃদ্ধি পোৱাৰ বাবে একাংশ বিপণীত কৃত্ৰিম আৰু অস্থায়ী নাটনিৰ সৃষ্টি হ'ব পাৰে বুলিও তেওঁ সকীয়াই দিয়ে।

ooooo

কাছাৰ আৰক্ষীয়ে আজি শিলচৰত অভিযান চলাই অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা এজন নাইজেৰিয়াৰ নাগৰিকসহ ৫ জন লোকক গ্ৰেপ্তাৰ কৰে। কাছাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজত পালে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে নাইজেৰিয়াৰ লোকজনে ঘনীৱালা অঞ্চলৰ এটা দম্পতী, মিজোৰামৰ এগৰাকী মহিলাসহ এজন স্থানীয় অট'চালকৰ সৈতে যাত্ৰা কৰিছিল। প্ৰাথমিক জেৰাৰ অন্তত আৰক্ষীয়ে আটাইকেইজন লোকক গ্ৰেপ্তাৰ কৰে। নাইজেৰিয়াৰ নাগৰিকজনৰ ওচৰত ভাৰতত প্ৰৱেশৰ কোনো বৈধ নথি-পত্ৰ নাছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আটাইকেইজন লোককে সম্প্ৰতি জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু চোৰাংচোৱা সংস্থাই জেৰা অব্যাহত ৰাখিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ